লৌহিত্য সাহিত্য সেতু : সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ : ১, সংখ্যা : ১, জুলাই-ডিচেম্বৰ, ২০২০

# শ

মিণ্টুল হাজৰিকা

বতাহজাকৰ গাত পোনাকণ
হাতত ৰঙা দুটা লজেন

মেঘৰ গাজনিত পুৰণি চহৰ
দৌৰিছে

লগে লগে
এজাক নীলা চৰাই

বননিৰ আঁৰত কোন মধুচন্দ্ৰিকা
গাইছে হৰিণ বনৰ গান

মাদলৰ দুভৰিত
ঝুমুৰ
ঝুমুৰ

চকুৰ পতাত সী থোৱা কুঁৱাটোত
এচলু দুখ

হাল চিঙে শালিকাৰ
নৈয়ে নৈয়ে মৰে পানীৰ চৰাই

মৰুদ্যানৰ উটৰ খোজত
ফুলি আছে

একুৰি সাতটা বেলি

**যোগযোগৰ ঠিকনা :**
ফোন নং 8638259073